**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 07-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক লক্ষ্য কৰি চলোৱা যিকোনো আক্ৰমণৰ সমীচিন প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰকাশ কৰিছে।

২। ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বিষয়টো কৃষি খণ্ডৰ উন্নয়ন আৰু কৃষক সকলৰ সমৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰিব বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে।

৩। ভাৰতে সদায় আইনৰ শাসন, গোলকীয় সহযোগিতা আৰু বিশ্ব পৰ্যায়ত আলোচনাৰ পোষকতা কৰি আহিছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে।

৪। দেশজুৰি আজি ইছলামধৰ্মী লোকসকলৰ ত্যাগ উৎসৱ ঈদ-উল-আজহা সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে উদযাপ কৰা হৈছে।

*আৰু*

৫। ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত আৰিয়ানা ছাবালেংকা কক' গউফৰ সন্মুখীন হৈছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক লক্ষ্য কৰি চলোৱা যিকোনো আক্ৰমণৰ সমীচিন প্ৰত্যুত্তৰ দিয়া হ'ব আৰু সন্তাসবাদী আৰু ষড়যন্ত্ৰকাৰীৰ মাজত কোনো ধৰণৰ ভেদাভেদ কৰা নহ'ব বুলি মন্তব্য কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এখন দৈনিক বাতৰি কাকতৰ বাবে লিখা এটা নিবন্ধ শ্বেয়াৰ কৰি শ্ৰী মোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে তেওঁৰ নিবন্ধত পাকিস্তানৰ পৃষ্ঠপোষকতা প্ৰাপ্ত সন্ত্ৰাসবাদ সদ্য নকৰা নীতিৰ বিষয়ে উল্লেখ কৰে আৰু ইয়াৰ বিৰুদ্ধে যোগ্য প্ৰত্যুত্তৰৰ আশ্বাস দিয়ে। তেওঁ কয়, যে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে সম্ভৱ নহয়। পাকিস্তানৰ সৈতে ভৱিষ্যতে আলোচনা হ'লে অকল সন্ত্ৰাসবাদ আৰু পাকিস্তান অধিকৃত কাশ্মীৰক লৈ আলোচনা কৰা হ'ব বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে যদি পাকিস্তান আলোচনাক লৈ সঁচাকৈ আগ্ৰহী তেন্তে দেশখনে ৰাষ্ট্ৰসংঘই সন্ত্ৰাসবাদ বুলি ঘোষণা কৰা হাফিজ ছঈদ আৰু মাছুদ আজাৰৰ দৰে সন্ত্ৰাসবাদীসকলক ভাৰতক গতাই দিয়া উচিত। তেওঁ কয়, যে সন্ত্ৰাসবাদ অকল ভাৰতৰ নহয়, বৰং সমগ্ৰ বিশ্বৰ সমস্যা। সন্ত্ৰাসবাদী নেটৱৰ্ক ধ্বংস কৰাৰ বাবে বিশ্বই ঐক্যবদ্ধভাৱে প্ৰয়াস চলোৱা উচিত বুলি শ্ৰী সিঙে কয়। মন্ত্ৰীগৰাকীয়ে লগতে বিশ্ব সম্প্ৰদায়ক সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে পাঁচটা পন্থাৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ

ভিতৰত সন্ত্ৰাসবাদৰ সংজ্ঞা নিৰ্ধাৰণ কৰা, সন্ত্ৰাসবাদী সংগঠন আৰু ইয়াৰ পৃষ্ঠপোষকসকলৰ ধন বাজেয়াপ্ত কৰা আৰু প্ৰতিবেশী ৰাষ্ট্ৰক অস্থিৰ কৰি তোলাৰ বাবে সন্ত্ৰাসবাদৰ সহায় লোৱা দেশসমূহ চিনাক্ত কৰা অন্যতম।

ooooo

ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বিষয়টো কৃষি খণ্ডৰ উন্নয়ন আৰু কৃষক সকলৰ সমৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰিব বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে। মধ্যপ্ৰদেশৰ ছিহোৰত আজি এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে খেতিয়কসকলক বিকশিত কৃষি সংকল্প অভিযান সাফল্যমণ্ডিত কৰাৰ বাবে বিজ্ঞানীসকলৰ কথা শুনিবলৈ আৰু তেওঁলোকৰ পৰামৰ্শ প্ৰয়োগ কৰি কামকাজৰ উন্নয়ন সাধন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ৫১ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰা হয়। শ্ৰী চৌহানে লগতে মধ্যপ্ৰদেশৰ প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ ২০১৮ বৰ্ষৰ তালিকাত নতুনকৈ অন্তৰ্ভুক্ত কৰা দুখীয়া পৰিয়ালৰ বাবে বাসগৃহ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনায়। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰায় ৯ হেজাৰ ৪১২ কোটি ব্যয়ৰে সাত লাখ ৮৫ হাজাৰ ৩৫৬ টা বাসগৃহ নিৰ্মাণত অনুমোদন জনাইছে।

ooooo

ভাৰতে সদায় আইনৰ শাসন, গোলকীয় সহযোগিতা আৰু বিশ্ব পৰ্যায়ত আলোচনাৰ পোষকতা কৰি আহিছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে। ব্ৰাজিলৰ ব্ৰাছিলিয়াত অনুষ্ঠিত ব্ৰিকছ সংসদীয় মঞ্চৰ একাদশ বৈঠকত অংশগ্ৰহণ কৰা ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰাৰ পাছত এটা ভিডিঅ' শ্বেয়াৰ কৰি শ্ৰী বিৰলাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বৈঠকত অৰ্থবহন আলোচনা আৰু মত বিনিময় হয়। বৈঠকত ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ মাজত সংসদীয় সহযোগিতা সুদৃঢ় কৰাৰ যৌথ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ প্ৰসাৰ আৰু অৰ্থনৈতিক বিষয় সন্দৰ্ভত যৌথভাৱে কাম কৰাক লৈ আলোচনা কৰা হয় বুলি শ্ৰী বিৰলাই মন্তব্য কৰে। তেওঁ কয়, যে ব্ৰিকছ ৰাষ্ট্ৰসমূহে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়ে আৰু যৌথ প্ৰচেষ্টাৰ জৰিয়তে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণৰ আৱশ্যকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। শ্ৰী বিৰলাই কয়, যে ভাৰতে পৰৱৰ্তী ব্ৰিকছ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিব আৰু অৰ্থনৈতিক, সামাজিক, বাণিজ্যিক, কৃত্ৰিম বুদ্ধিমত্ত আৰু অন্য গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰিব। ভাৰতে এই শীৰ্ষ সন্মিলনৰ সফল আৰু ফলপ্ৰসূ আয়োজন সুনিশ্চিত কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত শেহতীয়া নক্সাল বিৰোধী অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বিষয়াসকলক সাক্ষাৎ কৰে আৰু তেওঁলোকক ঐতিহাসিক সাফল্যৰ বাবে অভিনন্দন জনায়। শ্ৰী শ্বাহে সামাজিক মাধ্যমযোগে কয়, যে দেশক নক্সালবাদৰ বিভিষিকাৰ পৰা মুক্ত কৰিবলৈ চৰকাৰ বদ্ধ পৰিকৰ। শ্ৰী শ্বাহে কয়, যে তেওঁ শীঘ্ৰে চত্তিগড় ভ্ৰমণ কৰিব আৰু নক্সাল বিৰোধী অভিযানসমূহ সফল কৰি তোলা সৈনিকসকলক সাক্ষাৎ কৰিব।

ooooo

সেৱা, সুশাসন আৰু গৰীৱ কল্যানৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ বিগত এটা দশকত দেশৰ আমূল পৰিৱৰ্তন সাধন হৈছে। আকাশবাণী বাতৰি সেৱা বিভাগে চৰকাৰে বিভিন্ন খণ্ডত যোৱা এঘাৰটা বছৰত চলোৱা প্ৰচেষ্টা সন্দৰ্ভত

বিশেষ প্ৰতিবেদন প্ৰচাৰ কৰিবলৈ লৈছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে আজি শুনক মধ্যবিত্ত শ্ৰেণীক সৰল কৰি তোলা বিভিন্ন বিত্তীয় সংস্কাৰ সন্দৰ্ভত আমাৰ এক প্ৰতিবেদন।

বিগত এটা দশক ধৰি মধ্যবিত্ত শ্ৰেণী দেশৰ উন্নয়ন যাত্ৰাৰ কেন্দ্ৰবিন্দু হৈ আছে। তেওঁলোকৰ আশা-আকাংক্ষা সমূহৰ প্ৰতি অকল গুৰুত্ব আৰোপ কৰাই নহয়, বৰং নিৰ্ণায়ক ব্যৱস্থাৰে সন্মানিত কৰা হৈছে। কৰ সংস্কাৰ আৰু সকাহ, সামাজিক নিৰাপত্তা আৰু দক্ষতাৰ বিকাশ মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ প্ৰতি চৰকাৰৰ প্ৰচেষ্টাৰ গুৰুত্বপূৰ্ণ স্তম্ভ ৰূপে পৰিগণিত হৈছে।

শেহতীয়া কেন্দ্ৰীয় বাজেটত নতুন কৰ ব্যৱস্থাৰ অধীনত ১২ লাখ টকা পৰ্যন্ত আয়ক কৰমুক্ত কৰা হৈছে। একীকৃত পেন্সন আঁচনিৰ জৰিয়তে ২৫ বছৰ চাকৰি কৰা চৰকাৰী কৰ্মচাৰীৰ বাবে গড় মূল বেতনৰ ৫০ শতাংশ পেন্সন হিচাপে নিশ্চিত কৰা হৈছে। একেদৰে বিগত এটা দশকৰো অধিক সময় ধৰি গড় মুদ্ৰাস্ফীতিৰ হাৰ পাঁচ শতাংশত ৰখা হৈছে। দক্ষতা বিকাশৰ বাবেও সমানে প্ৰচেষ্টা চলোৱা হৈছে। প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ অধীনত এক কোটি ৬৩ লাখৰো অধিক যুৱক-যুৱতীক উদ্যোগ সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানবিচি প্ৰসাৰ আঁচনিৰ অধীনত ২০১৬ চনৰে পৰা ৪০ লাখৰো অধিক শিক্ষানবিচৰ সংস্থাপন সুগম কৰি তোলা হৈছে। দেশত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সংখ্যাও ২০১৪ চনৰ ৯ হাজাৰ ৯০০ৰ পৰা ২০২৪ চনত ১৪ হাজাৰ ৬০০লৈ বৃদ্ধি পাইছে। এই প্ৰচেষ্টাসমূহে প্ৰকৃত অৰ্থত মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণ সুনিশ্চিত কৰিছে আৰু চৰকাৰৰ নাগৰিকৰ বক্তব্য শুনা, ব্যৱস্থাৰ সৰলীকৰণ আৰু প্ৰতিশ্ৰুতি পুৰণৰ দৃষ্টিভংগী স্পষ্ট কৰিছে।

ooooo

ইছলামধৰ্মী লোকসকলৰ ত্যাগ উৎসৱ ঈদ-উল-আজহা আজি দেশজুৰি সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে উদযাপ কৰা হৈছে। ঈদগাহ আৰু মছজিদসমূহত আজি পুৱা ঈদৰ নামাজ অনুষ্ঠিত হয়। তাৰ পাছতে ইজনে সিজনক পৰম্পৰাগতভাৱে ঈদৰ শুভেচ্ছা জনায়।

দিল্লীত মূল নামাজ জামা মছজিদ, ফটেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহত পঢ়া হয়। নামাজৰ নেতৃত্ব লোৱা ইমামসকলে এই উৎসৱত শান্তি, সমন্বয় আৰু ভাতৃত্ববোধ বৰ্তাই ৰাখিবলৈ সকলোকে আহ্বান জনায়। দেশৰ অন্যান্য প্ৰান্ততো ব্যাপক উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে। ঈদ উপলক্ষে দেশজুৰি নিৰাপত্তা ব্যাৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আফ্ৰিকান ইউনিয়নে দুৰ্যোগ প্ৰতিৰোধী আন্তঃগাঁথনি ২০২৫ চমুকৈ চিডিআৰআই সন্মিলনত যোগদান কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। এটা ভিডিঅ' বাৰ্তাৰ জৰিয়তে ফ্ৰান্সত অনুষ্ঠিত দুৰ্যোগ প্ৰতিৰোধী আন্তঃগাঁথনি ২০২৫ৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে এই সন্মিলনৰ জৰিয়তে দুৰ্যোগৰ মুখামুখি হ'ব পৰাকৈ দেশসমূহে কাৰ্য্যকৰী কাৰ্যসূচী প্ৰস্তুত কৰাৰ লগতে উন্নয়নশীল ৰাষ্ট্ৰসমূহে যাতে বিত্তীয় সাহায্য লাভ কৰে তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁ লগতে কয় যে ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপৰ উন্নয়নশীল ৰাষ্ট্ৰসমূহ সহজতেই এনে দুৰ্যোগত আক্ৰান্ত হোৱাৰ

বাবে সেই দেশ সমূহক অধিক গুৰুত্ব দিয়াটো প্ৰয়োজন। প্ৰধানমন্ত্ৰী গৰাকীয়ে তেওঁৰ ভিডিঅ' বাৰ্তাটোত এই কথাটোও উল্লেখ কৰে যে দুৰ্যোগৰ আগতীয়া সতৰ্কবাণী ব্যৱস্থা কৰাৰ লগতে দেশ সমূহৰ মাজত সমন্বয় শক্তিশালী কৰাটো অতি গুৰুত্বপূৰ্ণ কাৰণ এই প্ৰক্ৰিয়াই সময়োপযোগী সিদ্ধান্ত সময়মতে গ্ৰহণ কৰাত সহায় কৰে। চলিত সন্মিলনত এই দিশ সমূহ বিবেচনা কৰা হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনক তেওঁলোকৰ সমৰ্থনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

ooooo

আজি পুৱা ৰাছিয়াই ইউক্ৰেইনত চলোৱা আন এক আক্ৰমণত কমেও তিনিজন লোক নিহত হোৱাৰ লগতে আন ২১ জন লোক গুৰুতৰ ভাৱে আহত হয়। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি ৰাছিয়াই এই আক্ৰমণত ২০৬খন ড্ৰ'ন আৰু ৯টা ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰিছে। যোৱা কেইসপ্তাহমানৰ ভিতৰত কৰা এই বৃহৎ আক্ৰমণৰ ফলত ইউক্ৰেইণৰ ১৮টাকৈ বৃহৎ অট্টালিকা আৰু ১৩টা ব্যক্তিগত ঘৰৰ ক্ষতিসাধন হৈছে। ইউক্ৰেইনৰ বায়ু সেনাই দাবী কৰা মতে, তেওঁলোকে ৰাছিয়াৰ এখন যুদ্ধ বিমানৰ লগতে ৮৭খন ড্ৰ'ন আকাশমাৰ্গতে ধ্বংস কৰি ভূপতিত কৰিছে। আনহাতে, ৰাছিয়াৰ সেনাই ৩৬খন ইউক্ৰেইনৰ ড্ৰ'ন ধ্বংস কৰাৰ কথা সদৰী কৰিছে। ইউক্ৰেইনৰ ড্ৰ'ন আক্ৰমণৰ ফলত মস্কো অঞ্চলত কমেও দুজন লোক আহত হয়।

ooooo

ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ একনম্বৰ খেলুৱৈ আৰিয়ানা ছাবালেংকা বিশ্বৰ দ্বিতীয় স্থানৰ খেলুৱৈ কক' গউফৰ সন্মুখীন হৈছে।

পুৰুষৰ ছিংগলছৰ ফাইনেলত কাইলৈ বিশ্বৰ প্ৰথম স্থানৰ খেলুৱৈ জানিক ছিনাৰ যোৱাবাৰৰ ছেম্পিয়ন কাৰ্লছ আল কাৰাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছিনাৰে ছেমি ফাইনেলত পূৰ্বৰ ছেম্পিয়ন নভাক জকভিছক ৬-৪, ৭-৫, ৭-৬ ছেটত পৰাস্ত কৰে। আনহাতে আল কাৰাজে প্ৰতিদন্দ্বী লৰেঞ্জ' মুছেটিৰ আঘাটৰ বাবে ছেমি ফাইনেল নেখেলাকৈয়ে ফাইনেলত প্ৰৱেশ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ